“তোমালোকে জানানে, গীবত কি?” চাহাবাসকলে ক'লে, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে ক'লে:“ (গীবত হৈছে) তুমি তোমাৰ ভাতৃৰ বিষয়ে এনেকুৱা কোনো বিষয় আলোচনা কৰা, যিটোক সি অপছন্দ কৰে

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “তোমালোকে জানানে, গীবত কি?” চাহাবাসকলে ক'লে, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে ক'লে:“ (গীবত হৈছে) তুমি তোমাৰ ভাতৃৰ বিষয়ে এনেকুৱা কোনো বিষয় আলোচনা কৰা, যিটোক সি অপছন্দ কৰে।” প্রশ্ন কৰা হ'ল, মই আলোচনা কৰা বিষয়টো যদি সঁচাকৈয়ে তাৰ মাজত থাকে (তথাপিও সেইটো গীবত হ'বনে)? উত্তৰত তেখেতে ক'লে: “তুমি তাৰ বিষয়ে যি আলোচনা কৰিছা সেইটো যদি তাৰ মাজত থাকে তেনেহ'লে তুমি তাৰ গীবত কৰিলা। আনহাতে যদি সেইটো তাৰ মাজত নাথাকে তেনেহ'লে তুমি তাৰ প্রতি অপবাদ আৰোপ
কৰিলা।”
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত হাৰাম গীবতৰ বাস্তৱতা তথা ধৰণ বৰ্ণনা কৰিছে। সেইটো হৈছে: কোনো অনুপস্থিত মুছলিম ব্যক্তিৰ বিষয়ে এনেকুৱা কোনো কথা আলোচনা কৰা যিটোক তেওঁ অপছন্দ কৰে। সেই দোষটো তাৰ দৈহিক হওক বা চাৰিত্রিক। উদাহৰণস্বৰূপে: অন্ধ, প্রতাৰক, মিছলীয়া ইত্যাদি বেয়া দোষ। যদিও সেইবোৰ দোষ তাৰ মাজত থাকে। আনহাতে যদি সেই দোষ তাৰ মাজত নাথাকে, তেন্তে এইটো হ'ব নিকৃষ্ট স্তৰৰ এটা গীবত, যিটোক বুহতান তথা অপবাদ বুলি কোৱা হয়। অৰ্থাৎ কোনো ব্যক্তিক এনেকুৱা দোষেৰে দোষাৰোপ কৰা যিটো তাৰ ভিতৰত নাই।

https://sunnah.global/hadeeth/as/show/5326